HANDLE THE BOOK CAREFULLY.

Year of publication 1931

# পুনৰুত্থান।

শ্ৰীবেণুধৰ ৰাজখোৱাৰ দ্বাৰা ৰচিত।

NOT TO BE ISSUED

ডিব্ৰুগড়

১৯৩১ চন।

DIBRUGARH H. S. KANOI COLLEGE LIBRARY.

# উপহাৰ

মোৰ অশেষ শ্ৰদ্ধা আৰু ভক্তিৰ পাত্ৰ-

অসমৰ কৰ্ম্মগুৰু সকললৈ।

বহুমানাস্পদেষু—

মই কৰ্ম্মক্ষেত্ৰলৈ নামিব নোৱাৰিলোঁ।—বেলিয়ে নাটিলে। পুনৰুত্থানৰ পাচত শক্তি অনুযায়ী কৰ্ম্মত আত্ম-নিয়োগ কৰিবৰ অভিপ্ৰায়েৰে এই কবিতাটি আগ-জাননী-স্বৰূপে আপোনালোকৰ হাতত অৰ্পণ কৰিলোঁ। আশা কৰোঁ, নগন্য উপহাৰ বুলি ঘিণ নকৰি গ্ৰহণ কৰিব যেন। ইতি—

অনুগত

শ্ৰীবেণুধৰ।

14,158
891.451/RAJ

# পুনৰুত্থান।

—০—

(১)

উপজিলোঁ ধৰি প্ৰবৃত্তিৰ জৰী ;
পালোঁ হিলৰৰি পুনু বসুন্ধৰী ;
জনম লভিলোঁ ঘূৰি মহী-মণ্ডলত—
মানৱৰ সমাজত, কৰ্ম্মৰ ক্ষেত্ৰত।

(২)

কোনে কয়, মৃত্যু অশুভৰ হেতু ?
ই যে স্বৰ্গ-সেতু, বিজয়ৰ কেতু !
মৃত্যু মহানিদ্ৰা নোহে জানিবা নিশ্চয় ;
মৃত্যু বিনে আত্মাৰ শোধন নহয়।

(৩)

নহবা হে ভ্ৰান্ত, জানিবা বৃত্তান্ত,
মৃত্যুৰেই অন্ত নহয় নিতান্ত ;
শ্মশানৰপৰা উঠে পুনশ্চ সুন্দৰ।
জানা বিশ্ববাসী এই সত্য গূঢ়তৰ।

(৪)

মৰিশালি-ছাই দেখি ভয় নাই;
ছাই ভেদি যায় আতমা উধাই;
মহাসত্য সকলোৰে জানিবা সঁচাই—
মৃত্যু বিনে আতমাৰ উৰ্দ্ধগতি নাই।

(৫)

হঠাৎ এন্ধাৰ দেখিছোঁ অপাৰ!
হল এই বাৰ দিব্য জ্যোতি আঁৰ!
চাৰি দিশ দেখোঁ মই ধুৰঁলি-কুৰঁলি।
নুবুজোঁ কাৰণ একো, বিচুৰ্ত্তি সমূলি!

(৬)

কিয় এনে হয়, লাগে মোৰ ভয়;
বুদ্ধিৰ প্ৰলয় ঘটিল নিশ্চয়!
এয়ে নে মায়াৰ কাৰ্য্য বিচিত্ৰ, অদ্ভুত?
হল নে কি মায়া দেৱী হাঁয় অৱিৰ্ভূত?

(৭)

বুদ্ধি খেলিমেলি লাগে এই বেলি;
ছাতিছে কুৰঁলি অন্তৰ সমূলি;
বুজা নাই, ঘটে কিয় বুদ্ধিৰ বিভ্ৰম।
কিয় এনে ভাব হয়, পোৱা নাই গম।

(৮)

পখিলাৰ শাৰী নাচে উড়ি উড়ি;
চাৰিও কাষৰি ধৰে বেৰি বেৰি;
হালধীয়া, গুলপীয়া, নীলা, সেউজীয়া—
কত নো ৰঙৰ চিত্ৰ, অতি বিনন্দীয়া।

(৪)

মৰিশালি-ছাই দেখি ভয় নাই;
ছাই ভেদি যায় আতমা উধাই;
মহাসত্য সকলোৰে জানিবা সঁচাই—
মৃত্যু বিনে আতমাৰ উৰ্দ্ধগতি নাই।

(৫)

হঠাৎ এন্ধাৰ দেখিছোঁ অপাৰ!
হল এই বাৰ দিব্য জোতি আঁৰ!
চাৰি দিশ দেখোঁ মই ধুৰঁলি-কুৰঁলি।
নুবুজোঁ কাৰণ একো, বিচুৰ্ত্তি সমূলি!

(৬)

কিয় এনে হয়, লাগে মোৰ ভয়;
বুদ্ধিৰ প্ৰলয় ঘটিল নিশ্চয়!
এয়ে নে মায়াৰ কাৰ্য্য বিচিত্ৰ, অদ্ভুত?
হল নে কি মায়া দেবী হাঁয় অবিৰ্ভূত?

(৭)

বুদ্ধি খেলিমেলি লাগে এই বেলি;
ছাতিছে কুৰঁলি অন্তৰ সমূলি;
বুজা নাই, ঘটে কিয় বুদ্ধিৰ বিভ্ৰম।
কিয় এনে ভাব হয়, পোৱা নাই গম।

(৮)

পখিলাৰ শাৰী নাচে উড়ি উড়ি;
চাৰিও কাষৰি ধৰে বেৰি বেৰি;
হালধীয়া, গুলপীয়া, নীলা, সেউজীয়া—
কত নো ৰঙৰ চিত্ৰ, অতি বিনন্দীয়া।

(১৪)

ফুল পাহি পাৰি    আনিব নোৱাৰি;
কাঁইটে আবৰি    ৰাখে তাক ধৰি;
গিছাতে বাসনা মই সাঁচিলোঁ মনত।
আশা মোৰ আজি হাঁয় মিলিল শূন্যত!

(১৫)

আহি নিলগৰ    এনেতে সু-স্বৰ
পশিল কাণৰ    আতি, অভ্যন্তৰ;
পাকে পাকে ঘূৰি ধ্বনি মৰ্ম্মত সোমাল।
খন্তেকতে যেন মোৰ চৈতন্য হেৰাল!

(১৬)

বাসনা প্ৰবল    পুনু বাঢ়ে বল;
মন টলমল,    উখল-মাখল;
মাতে মাতে খেদি গই দেখিলোঁ চৰাই—
কৰিছে কুউ-উ ধ্বনি ডালত বগাই।

(১৭)

সম্মোহিনী কুলি    নামিবলৈ বুলি
বুলিলোঁ সমূলি    সকাতৰ বুলি;
নানামিল পখী হাঁয় গছ-ডাল এৰি।
আন গছ মজুপিলৈ গল উৰা মাৰি!

(১৮)

খেদি খেদি যাওঁ,    জুমি জামি চাওঁ,
কৰোঁ কাও-বাও,    কত কথা কওঁ;
ধৰিব নোৱাৰি কুলি পালোঁ মহাশোক।
দেখিলোঁ এজন তাতে বুঢ়া ভদ্ৰলোক।

(১৯)

"কি কামত ঘোৰা, কোৰাঁ, কোৰাঁ, কোৰাঁ;
কিয় এনেকুৰা মুখনি কঠুৰা ?
ৰসাল মুখৰ হাঁহি কিয় দেখা নাই ?
মনটো দেখোন তুমি আছা অমোলাই।"

(২০)

"পালো বৰ ব্যথা অযথা, অযথা;
কি শুনিবা কথা শোক তাপ-গাঁথা,
কেনেকৈ জনাওঁ কিয় আছোঁ মন মাৰি—
হেঁপাহৰ লাৰু মই নাপাওঁ বিচাৰি!

২১

"পখিলা ৰঙ্গিলী, প্ৰেম-কলী কুলি,
অতি ৰাঙ্গঢালা গোলাপ শুৱলী—
যেদি গই কাকো মই বিচাৰি নাপালোঁ;
মিছাতেই ভাগৱত লালকাল হলোঁ।

(২২)

"এই ভূমণ্ডল যেন মৰু-স্থল;
প্ৰতি পলে-পল মানৱ বিকল;
নোহে নে সংসাৰ কোৰা আসক্তিৰ দেশ ?
সঁচাই বৈৰাগ্য নে কি চৰম উদ্দেশ ?"

(২৩)

"হেৰা বাপধন, নোহোৱা বিমন;
নোহে ই ভুবন্ নিৰস কানন;
আসক্তিৰ বস্তু আনি কৰিম অৰ্পণ।
মোৰ উপহাৰ জানো কৰিবা গ্ৰহণ?"

(২৪)

"দিয়াঁ মোক স্বস্তি, কৰোঁ মই নতি;
দুখ-দুৰ্গতি গুচোৱাঁ সম্প্ৰতি;
বাসনা-ভৰত মই আতিকৈ আতুৰ।
বৰষাঁ শান্তিৰ ধাৰা দয়াৰ ঠাকুৰ।"

(২৫)

পাচে সেই গিৰি, পশি অন্তঃপুৰী,
আনে কন্যা ধৰি, বুলিলে গম্ভিৰি—
"অৰ্পিলোঁ তোমাক এই সুন্দৰী ছোৱালী—
পখিলা গোলাপ কুলি তিনিৰো মিহলি!"

(২৬)

পালোঁ সহচৰী, প্ৰেম-মধুকৰী,
দিপ্-লিপ্ পৰী, স্বৰ্গৰ জীয়ৰী;
মানিলোঁ নিজকে মই অতি ভাগ্যবান।
ভাবিলোঁ গোটেই ধৰা নন্দন-কানন।

(২৭)

মলিনতা-শূন্যা, সুপবিত্ৰ পুণ্যা,
জগতৰ ধন্যা, লভি দিব্য কন্যা—
ভাবোঁ, মই ঈশ্বৰৰ সুপ্ৰিয় সন্তান;
মোৰ দৰে নাই আৰু কোনো ভাগ্যবান।

(২৮)

দিন ৰাতি যায়, মাহেক পলায়,
বছৰে বিদায় ললে লাহেকৈ;
অজ্ঞেয় ভাবনা হয় মনত উদ্ভূত;
অন্তৰত লাগে মোৰ আঘাত প্ৰভুত।

(২৯)

"শুনা প্ৰিয়তমা, অতি মনোৰমা,
কান্দিছে আতমা, কৰিবা হে ক্ষমা;
আবদ্ধ হলোঁ হে মই তোমাৰ প্ৰেমত;
বন্দী হলোঁ জানো হায় মকৰা-জালত !"

(৩০)

"তয়ু বাক্য শুনি, আতুৰ পৰাণি;
কিয় নো বচনি বোলাঁ নিদাৰুণি;
তোমাৰ বিহনে পাম অশান্তি পৰম।
নেৰিবা, নেৰিবা মোক প্ৰাণ-প্ৰিয়তম।"

(৩১)

"তুমি মহাসতী, কামকান্তা ৰতি,
তুমি মোৰ গতি, তুমি অৰুন্ধতী;
সম্মুখত বিদ্যমান চোৱাঁ কৰ্ম্মথলী।
কেনেকৈ কৰ্ত্তব্য মই থাকোঁ অৱহেলি !"

(৩২)

"তুমি প্ৰাণেশ্বৰী, আসক্তিৰ জৰী;
আপোন পাহৰি, আছোঁ মই পৰি;
মিছাতেই আছোঁ হই অলৰ-অচৰ।
জগতত নাৰী-জাতি মায়াৰ আকৰ।"

(৩৩)

"যদি হওঁ সতী, যোৱাঁ প্ৰাণ-পতি,
নাবাধো সম্প্ৰতি কৰ্ত্তব্যৰ গতি;
কামাখ্যা দেবীৰ লোৱাঁ আশীষ-বচন।
কৰিব হে মহামায়া মায়াৰ ছেদন।"

(৪৪)

"দিলা দিবা জ্ঞান, সুস্থ হল প্ৰাণ;
তোমাৰ সমান আছে কোন আন;
তুমিয়েই জানা মোৰ শক্তি-বুদ্ধিদাত্ৰী।
কৰ্ম্মৰ ক্ষেত্ৰত তুমি দেবী অধিষ্ঠাত্ৰী।"

(৪৫)

"শুনা প্ৰাণেশ্বৰ, অসম দেশৰ
দুৰ্দ্দশা বিস্তৰ, মিলে অথন্তৰ;
অসম আইক সৱে কৰাঁ বাৰস্থিতা—
যতনে বিলায় দিয়াঁ আজি কৰ্ম্মগীতা।"

(৪৬)

জয়-ধ্বজা ধৰি, কৰম সুৱঁৰি,
দুয়ো ধৰা-ধৰি, গলোঁ আগ বাঢ়ি।
কৰ্ম্ম কৰাঁ অসমীয়া, গোৱাঁ কৰ্ম্ম গীতা।
ধন বিদ্যা শব দিব দয়াময় পিতা।

(৪৭)

অসমৰ তিৰী, অসমৰ গিৰি,
জয়োল্লাস কৰি, বলাঁ আগ বাঢ়ি;
গোৱাঁ, গোৱাঁ কৰ্ম্মগীতা নানা ছন্দে ৰচি।
আচৰোক কৰ্ম্ম, যাৰ যেনে অভিৰুচি।

(৪৮)

গোৱাঁ কৰ্ম্মশ্লোক, পৰিহৰাঁ শোক,
আছে যত লোক, ভুঞ্জিব সম্ভোগ;
কিবা ৰাত্ৰি কিবা দিন,হোৱা কৰ্ম্মময়—
আজৰি লবলৈ জানা বতৰ নৌ হয়।

(৪৯)

গোৱা জয়-গীত, আতি উল্লসিত ।
তুমি নিজে নিত, হই শুদ্ধ-চিত;
কৰ্ম্ম-সাজ পিন্ধি কৰ্ম্ম কৰা উলাহেৰে।
বজোৱা বিজয়-ভেৰী তুমি বাৰে বাৰে ॥

(৫০)

হওক অসম ধৰাত অ-সম,
অতি মনোৰম নন্দনৰ সম;
ফলে ফুলে চাৰি দিশ হওক সুৰভি—
জঁয় অসমৰ জয়' বজোৱা দুন্দুভি।

—o—